otal No. of Printed Pages—3

**3 SEM TDC EASM 1**

**2012**

( November )

ELECTIVE ASSAMESE

Course : 301

( অসমীয়া গদ্য সাহিত্য )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ দিয়াঁ : ১×৮=৮

(ক) ভট্টদেৱৰ সম্পূৰ্ণ নাম কি?

(খ) অসমীয়া ভাষাত বুৰঞ্জী ৰচনা কৰা প্ৰথা কেতিয়াৰ পৰা আৰম্ভ হয়?

(গ) 'আধুনিক আৰু আধুনিকতাবাদ' প্ৰবন্ধৰ লেখকজনৰ নাম কি?

(ঘ) বিজ্ঞানক লোকবোধ্য ৰূপ প্ৰদান কৰা এজন বিজ্ঞান লেখকৰ নাম লিখাঁ।

(ঙ) 'কৃপাবৰ বৰুৱা' কাৰ ছদ্মনাম?

(চ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই কোনখন গ্ৰন্থৰ বাবে 'জ্ঞানপীঠ' বঁটা লাভ কৰিছিল?

(ছ) "মানুহ এটি সাংস্কৃতিক জীৱ"—কথাষাৰ কোনে কৈছিল?

(জ) শুদ্ধ উত্তৰটো লিখিবাঁ :

'ৰামৰ বনবাস যাত্ৰা' পাঠটোৰ কথাংশৰ মূল উৎস সপ্তকাণ্ড ৰামায়ণ/কথা ৰামায়ণ/অদ্ভুত ৰামায়ণ।

২। নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ দিয়াঁ : ২×৫=১

(ক) ৰঘুনাথ মহন্ত কোন সময়ৰ কবি? তেওঁৰ এখন গ্ৰন্থৰ নাম লিখাঁ।

(খ) কোনখন কাকতে আধুনিক অসমীয়া গদ্যৰ নৱ উন্মেষ ঘটায়? কাকতখনৰ প্ৰথম সম্পাদকজনৰ নাম কি?

(গ) 'সাতসৰী অসম বুৰঞ্জী'ৰ নামকৰণ কোনে কৰিছিল? বুৰঞ্জীখনৰ গদ্যৰীতিৰ এটি বৈশিষ্ট্য উল্লেখ কৰাঁ।

(ঘ) ড০ বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনিৰ নাম লিখাঁ।

(ঙ) কোনজন সাহিত্যিকক অসমীয়া গদ্যৰ 'বেকন' আখ্যা দিয়া হয়? তেওঁ ৰচনা কৰা এখন পুথিৰ নাম লিখাঁ।

৩। (ক) ৰামচন্দ্ৰৰ বনবাস যাত্ৰা সম্পৰ্কে নাৰদে কোৱা সাৰ কথাখিনি তোমাৰ ভাষাৰে লিখাঁ। ১২

*অথবা*

(খ) ভট্টদেৱৰ গদ্যৰীতি সম্বন্ধে চমুকৈ লিখি 'ভক্তিযোগ' পাঠটিৰ মূল কথাখিনি বুজাই লিখাঁ।





৪। জ্যোতিপ্ৰসাদ আগৰৱালাই সংস্কৃতি সম্বন্ধে কেনে অভিমত আগবঢ়াইছে? 'ভাবীকালৰ সংস্কৃতি' শীৰ্ষক পাঠটোৰ আধাৰত আলোচনা কৰাঁ। ৪+৮=১২

৫। অসমীয়া গদ্য-সাহিত্যৰ বিকাশ সম্পৰ্কে চমুকৈ লিখাঁ। ১৪

৬। (ক) চৈয়দ আব্দুল মালিকৰ চুটিগল্পৰ চাৰিটা সাধাৰণ বৈশিষ্ট্য উল্লেখ কৰি 'ঢাকনি' নামৰ গল্পটোৰ কাহিনীভাগ চমুকৈ দাঙি ধৰাঁ। ৪+১০=১৪

*অথবা*

(খ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'এজনী জাপানী ছোৱালী' নামৰ গল্পটোৰ কাহিনীভাগৰ পটভূমি বিচাৰ কৰাঁ। গল্পটোৰ মাজত কেনে বাৰ্তা প্ৰকাশিত হৈছে? ১০+৪=১৪

৭। বিজ্ঞানৰ অৱদানৰ মুখ্য ধাৰা দুটা কি কি? বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যাই মানৱ সভ্যতাৰ বিকাশত কেনে ভূমিকা পালন কৰিছে, 'বিজ্ঞান আৰু সভ্যতা' শীৰ্ষক পাঠটিৰ সহায়ত আলোচনা কৰাঁ। ২+৮=১০

★★★